www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, OCTOBER 05, 2024 ■ শনিবাৰ।। ১৮ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৩ Guwahati, Assam ।। মূল্যঃ এটকা


### লাড়ুৰ তদন্ত কৰিব চিবিআইয়ে

**নতুন দিল্লী, ৪ অক্টোবৰঃ** অন্ধ্ৰপ্ৰদেশৰ লগতে সমগ্ৰ দেশত ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি ৫ পৃষ্ঠাত চাওক

## 'ইণ্ডিয়া'ৰ আৰ্হিৰে অসমত বিজেপিৰ বিৰুদ্ধে যুঁজিব বিৰোধীয়ে

### বিৰোধী ঐক্য মঞ্চৰ নতুন নাম হ'ব 'অসম'




■ অজাপত যোগদান জিতেন গগৈৰ

**ই-সংবাদ, ৪ অক্টোবৰঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিক পৰাভূত কৰিবৰ বাবে সন্মিলিত বিৰোধীয়ে এইবাৰ ককালত টঙালি বান্ধিছে। কংগ্ৰেছৰ নেতৃত্বত ১৮টা ৰাজনৈতিক দলে এইবাৰ বিৰোধী ঐক্য মঞ্চৰ নাম সলনি কৰি অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম' নামেৰে নতুনকৈ নামাকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত বিৰোধী দলসমূহৰ শেষাংশ ২ পৃষ্ঠাত

### মহাৰাষ্ট্ৰ বিধানসভাত অথন্তৰ

## উপাধ্যক্ষই ৩য় মহলাৰ পৰা দিলে জাঁপ

**মুম্বাই, ৪ অক্টোবৰঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বেই মহাৰাষ্ট্ৰ চৰকাৰৰ মিত্ৰজোঁটত দেখা দিছে ঘোৰ সংকট। চৰকাৰী নীতিৰ বিৰুদ্ধে এইবাৰ খোদ প্ৰতিবাদত নামিছে বিধানসভাৰ উপাধ্যক্ষৰ লগতে মিত্ৰজোঁটৰ কেইবাগৰাকীও নেতা। পিএছএৰ অধীনত শেষাংশ ৩ পৃষ্ঠাত

# দুজন মহন্তই অসমত চলাইছে ২২টা ছিণ্ডিকেট অখিল গগৈৰ দাবী

## এজন পুলিচৰ মহন্ত, আনজন হৰেন মহন্ত! মন্ত্ৰীৰ আছে অনুগ্ৰহ




■ ৰাইজৰ দলৰ কাৰ্যালয়ত সংবাদমেল

**ই-সংবাদ, ৪ অক্টোবৰঃ** অসমত ছিণ্ডিকেট চলাই দুজন মহন্তই। এজন পুলিচ মহন্ত। আনজন ছিণ্ডিকেট মাষ্টৰ হৰেন মহন্ত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু এজন মন্ত্ৰীৰ অনুগ্ৰহত এই ছিণ্ডিকেট চলি আছে। আজি এনে বহু গুৰুতৰ অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক আক্ৰমণ কৰিছে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। আজি ৰাইজৰ দলৰ মুৰব্বী তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এখন সংবাদমেল সম্বোধন কৰি শেষাংশ ৩ পৃষ্ঠাত

### বৃহৎ সাফল্য

## চত্তীশগড়ত নিহত ৩৬ মাওবাদী

**ৰায়পুৰ, ৪ অক্টোবৰঃ** চত্তীশগড়ত মাওবাদীৰ বিৰুদ্ধে অভিযানত বৃহৎ সফলতা লাভ কৰিছে নিৰাপত্তা বাহিনীয়ে। এক গোপন সূত্ৰৰ শেষাংশ ২ পৃষ্ঠাত

### জনতাক পুনৰ মাধমাৰ

## ৫০০ শতাংশ পৰ্যন্ত জেএমচিত মাচুল বাঢ়িব!


**ই-সংবাদ, যোৰহাট, ৪ অক্টোবৰঃ** চৰকাৰ যেতিয়া অদূৰদৰ্শী হয় তেতিয়াই জনগণৰ দুখ-দুৰ্দশা কুলাই পাচিয়ে নধৰা হয়। আজি অসমত বৰ্তি থকা শেষাংশ ২ পৃষ্ঠাত

## ৯ বছৰৰ অন্তত বিদেশ মন্ত্ৰী উৰিব ইছলামাবাদলৈ

**নতুন দিল্লী, ৪ অক্টোবৰঃ** সুদীৰ্ঘ ৯ বছৰৰ পিছত পাকিস্তান ভ্ৰমণ কৰিব ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে। শুকুৰবাৰে এই তথ্য সদৰী কৰে ভাৰত চৰকাৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ শেষাংশ ৫ পৃষ্ঠাত

## ৫০ বছৰীয়া মহিলাক গাভৰু কৰি দিয়াৰ চলেৰে লুটিলে ৩৫ কোটি

**কাণপুৰ, ৪ অক্টোবৰঃ** বুঢ়া হোৱা মানেই এটা অচল শৰীৰৰ বোজা কঢ়িয়াই আৰম্ভ কৰা মৃত্যুমুখী যাত্ৰা। বাৰ্ধক্য মানেই মনৰ সীমাহীন আকাংক্ষা পূৰণ কৰিব নোৱাৰা এটা দেহ, বাৰ্ধক্য মানেই যেন সকলো শেষ! এনে কাৰণতে হয়তো বাৰ্ধক্যক বেয়া পায় পৃথিৱীৰ অসংখ্য লোকে। নিজৰ বৃদ্ধাৱস্থাৰ শেষাংশ ৫ পৃষ্ঠাত



প্ৰৱঞ্চক স্বামী-স্ত্ৰী ৰাজীৱ আৰু ৰশ্মি

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫০০ শতাংশ পৰ্যন্ত জেএমচিত

চৰকাৰখনৰ দূৰদৰ্শিতাক লৈ প্ৰশ্ন উঠিছে। খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি, বিদ্যুতৰ বিল বৃদ্ধি, গাড়ীৰ ভাড়া বৃদ্ধি, মাটিৰ খাজনা বৃদ্ধিয়ে মানুহক জ্বলা-কলা খুৱাইছে। অসমত ১২টা ঠাইত টোলটেক্স দিবলৈ বাধ্য কৰা হৈছে। মিঠাতেল প্ৰতিলিটাৰ ২০০ টকাত কিনিবলৈ বাধ্য কৰা হৈছে। ইয়াতকৈ বেদনা অসমৰ মানুহক আৰু কি লাগে। এনে সময়তে ভূতৰ ওপৰত দানহ পৰা দি পৰিছে ৰাজ্য চৰকাৰৰ চিকিৎসা ব্যয়। ৰাজহুৱা চিকিৎসা ব্যয় অত্যাধিক হাৰত বৃদ্ধি কৰিছে ৰাজ্য চৰকাৰে। ব্ৰিটিছৰ পন্থাৰে কৰ-কাটল বৃদ্ধি কৰি মানুহৰ হাতত থকা টকাকেইটা ৰাজকোষলৈ আনি চৰকাৰ চলাব বুলি ভাবিছে দিছপুৰৰ মছনদত বহাসকলে। ঋণ লৈ চৰকাৰ চলোৱা হিমন্ত বিশ্ব শৰ্মাই কৰ-কাটল বৃদ্ধি কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। আনহে নালাগে লোকসভা নিৰ্বাচনত লজ্জাজনকভাৱে পৰাজিত হোৱা বিজেপি দলে যোৰহাটত কৰ-কাটলৰ সংগ্ৰহৰ অজুহাতত জনবিৰোধী কাৰ্য সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰী চিকিৎসা ব্যয় বৃদ্ধি কৰি যোৰহাটবাসীক ডিডি চেপা দিয়াৰ অভিযোগ উঠিছে। অভুতপূৰ্ব মাচুল বৃদ্ধি কৰি জনতাৰ গাঁঠিৰ ধন কাঢ়ি লৈ ৰাজকোষলৈ অনাৰ বাবে চৰকাৰী চিকিৎসা ব্যয় বৃদ্ধি কৰিছে। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অভাৱনীয়ভাৱে মাচুল বৃদ্ধি কৰিছে। মাচুলৰ নিৰিখ প্ৰত্যক্ষ কৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় এতি ৰাজহুৱা খণ্ডত আছে নে ব্যক্তিগত খণ্ডত আছে ধৰিব নোৱৰা হৈছে বুলি নাগৰিকে কোৱা-কুৰি আৰম্ভ হৈছে। এতিয়াৰ পৰা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অস্ত্ৰোপচাৰ কৰিবলৈ ভৰিব লাগিব ৬ হাজাৰ টকা। পূৰ্বে এই মাচুল আছিল ৬০০ টকা। লেপেৰস্কপিক অস্ত্ৰোপচাৰৰ বাবে ভৰিব লাগিব ৫ হাজাৰ টকা। পূৰ্বে এই মাচুল আছিল ৩হাজাৰ টকা। পেয়িং কেবিনৰ বাবে ৩ হাজাৰ টকা ভৰিব লাগিব। পূৰ্বে এই মাচুল আছিল ১৮০০ টকা। এতিয়াৰ পৰা এজন ৰোগীৰ অভিভাৱকে বিছনাৰ বাবে ভৰিব লাগিব এদিনত ৫০ টকাকৈ। এই মাচল পূৰ্বে আছিল ১০ টকা। এতিয়াৰ পৰা চিকিৎসা মহাবিদ্যালয়খনত ৰোগীৰ পঞ্জীয়ন কৰিলেই ভৰিব লাগিব ২০ টকা। পূৰ্বে এই মাচুল আছিল ১০ টকা। এনেদৰেই এতিয়া চৰকাৰে মানুহক মাধমাৰ শোধাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চত্তীশগড়ত নিহত ৩৬ মাওবাদী

পম খেদি মাওবাদীৰ বিৰুদ্ধে চলোৱা অভিযানত ৩৬জনকৈ মাওবাদী নিহত হয়। প্ৰাপ্ত বাতৰি অনুযায়ী নাৰায়ণপুৰ আৰু দান্তেৱাড়াৰ সীমান্ত অঞ্চলৰ আবুঝমাড়ৰ অৰণ্যত নিৰাপত্তা বাহিনীয়ে অভিযান চলোৱাৰ সময়তে লুকাই থকা মাওবাদীয়ে গুলীচালনা কৰে। আৰক্ষীয়েও প্ৰত্যুত্তৰ দিয়াত দুয়োপক্ষৰ মাজত তুমুল সংঘৰ্ষ হয়। স্থানীয় আৰক্ষীয়ে জনোৱা মতে দুপৰীয়া প্ৰায় ১ মান বজাত সংঘৰ্ষ আৰম্ভ হৈছিল। দান্তেৱাড়াৰ আৰক্ষী অধীক্ষকে জনোৱা মতে এই সংঘৰ্ষত ৩৬ জন মাওবাদী নিহত হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ ৰায়ে কয়, "মাওবাদী বিৰোধী অভিযানৰ অধীনত মাওবাদী প্ৰভাৱিত অঞ্চলসমূহত তালাচী অভিযান চলোৱা হৈছে। আজি গোপন সূত্ৰই এক খবৰ দিছিল যে অৰণ্যত মাওবাদীয়ে আত্মগোপন কৰি আছে আৰু এক বৃহৎ আক্ৰমণৰ পৰিকল্পনা কৰি আছে। তথ্য পোৱাৰ পিছতে নিৰাপত্তা বাহিনীৰ দলটোক ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হয়। নিৰাপত্তা বাহিনীৰ উপস্থিতিৰ উমান পাই মাওবাদীয়ে গুলীবৰ্ষণ আৰম্ভ কৰে। নিৰাপত্তা বাহিনীয়ে ইয়াৰ সঠিক প্ৰত্যুত্তৰ দিয়ে। এই সংঘৰ্ষত কেইবাজনো মাওবাদী নিহত হৈছে।" আৰক্ষী অধীক্ষকৰ মতে নিহত মাওবাদীৰ কেইবাটাও মৃতদেহ ইতিমধ্যে উদ্ধাৰ হৈছে। ইফালে ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এ কে-৪৭, এটা এছ এল আৰকে ধৰি বহু অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে। আজিৰ এই অভিযানক বৃহৎ সাফল্য আখ্যা দিছে চত্তীশগড় আৰক্ষীয়ে। এই অঞ্চলটো মাওবাদীৰ ঘাটি হিচাপে পৰিগণিত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ইণ্ডিয়া'ৰ আৰ্হিৰে অসমত

মাজত আলোচনা প্ৰায় চূড়ান্ত হৈছে বুলি জানিব পৰা গৈছে। বিৰোধী ঐক্য মঞ্চ অসমৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈৰ ঘনিষ্ঠ সূত্ৰই সদৰী কৰা মতে, ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিৰোধী দলসমূহৰ মৰ্চা 'ইণ্ডিয়া'ৰ আৰ্হিত সন্মিলিত বিৰোধীয়ে অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম' নামেৰে শাসনাধিষ্ঠিত বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ ৰণনীতি যুগুত কৰিছে। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ পূৰ্বে ১৫টাকৈ বিৰোধী দল একত্ৰিত হয় গঠন কৰিছিল বিৰোধী ঐক্য মঞ্চ, অসম। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা হৈছিল এই মঞ্চ। পৰৱৰ্তী সময়ত সৰু-বৰ আন কেবাটাও দলে মঞ্চত যোগ দিয়াত ইয়াৰ অন্তৰ্গত দলৰ সংখ্যা ১৮টালৈ বৃদ্ধি পায়। সদ্যসমাপ্ত ১৪টা লোকসভা সমষ্টিত ঐক্য মঞ্চই মিশ্ৰিত একতাৰে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। ডিব্ৰুগড় সমষ্টিটো ঐক্য মঞ্চৰ সভাত হোৱা সিদ্ধান্তমৰ্মে কংগ্ৰেছে জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈক এৰি দিছিল যদিও আম আদমী পাৰ্টীয়ে শেষ মুহূৰ্তত মিত্ৰতাৰ ধৰ্ম পালন নকৰি নিজা প্ৰাৰ্থী অৱতীৰ্ণ কৰাইছিল। একেদৰে তেজপুৰ সমষ্টিতো আপে প্ৰাৰ্থী থিয় কৰাইছিল। আনহাতে বৰপেটা সমষ্টিত চিপিএম দলে ঐক্য মঞ্চৰ সিদ্ধান্তত সম্পূৰ্ণ সমৰ্থন নজনাই সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰক অৱতীৰ্ণ কৰাইছিল। এই আটাইকেইটা সমষ্টিতে বিৰোধীক পৰাভূত কৰি জয়ী হয় শাসকীয় দল। সম্পূৰ্ণ ঐক্যবদ্ধভাৱে লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱাত সফল নহ'লেও এই পৰ্যন্ত বিৰোধী ঐক্য মঞ্চত কোনো স্পষ্ট ভাঙোন পৰিলক্ষিত হোৱা নাই। বিপৰীতে ২০২৬ৰ বিধানসভা নিৰ্বাচনত মঞ্চৰ আটাইকেইটা দলে ঐক্যবদ্ধভাৱে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা কৈ আহিছে। এই উদ্দেশ্য আগত ৰাখিয়েই লোকসভা নিৰ্বাচনৰ পিছতো কেবাবাৰো কেবাখনো বৈঠকত মিলিত হৈছে ঐক্য মঞ্চৰ অন্তৰ্গত দলসমূহৰ প্ৰতিনিধিসকল। গুৱাহাটীত অনুষ্ঠিত শেহতীয়া এক বৈঠকতে নামটোক লৈয়ো আলোচনা হৈছিল বুলি এটি সূত্ৰৰ পৰা জানিব পৰা গৈছে। সূত্ৰটোৰ মতে ২০২৬ত বিৰোধী ঐক্য মঞ্চই যদিহে জয়ী হৈ চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হয় তেতিয়া বিৰোধী নামটো থাকিলে সেয়া ৰজিতা নাখাব। ফলত নাম সলনি কৰিবলগীয়াত পৰিব। নাম সলনি কৰিবলগীয়া হ'লে তেতিয়া জনসাধাৰণৰ মাজলৈ ভুল বাৰ্তা যাব বুলিয়েই আগতীয়াকৈ নাম সলনি কৰিবলৈ কেবাটাও সদস্য দলে পৰামৰ্শ আগবঢ়োৱাত সেয়া সলনি কৰিবলৈ সিদ্ধান্ত লোৱা হয়। নাম সন্দৰ্ভত কিছুদিন পূৰ্বে কেবাটাও দলৰ প্ৰতিনিধিৰ সৈতে সভাপতি ভূপেন বৰা আৰু সম্পাদক লুৰীণজ্যোতি বিশেষ বৈঠকত মিলিত হৈছিল। এই বৈঠকতে বিৰোধী ঐক্য মঞ্চৰ নতুন নাম সৰ্বভাৰতীয় পৰ্যায়ত থকা বিৰোধী মৰ্চাৰ 'ইণ্ডিয়া'ৰ আৰ্হিত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সিদ্ধান্ত অনুযায়ী নতুন নাম 'অসম সন্মিলিত মৰ্চা' প্ৰায় চূড়ান্ত কৰা হৈছে বুলি লুৰীণজ্যোতি গগৈৰ এটি ঘনিষ্ঠ সূত্ৰই জানিবলৈ দিছে। অসম সন্মিলিত মৰ্চাৰ সংক্ষিপ্ত ৰূপ ইংৰাজীৰ পৰিৱৰ্তে অসমীয়া ভাষামতেই ব্যৱহাৰ কৰিবলৈকো বিৰোধী দলসমূহে ঐক্যমতত উপনীত হৈছে। অসমীয়া ভাষাত অসম সন্মিলিত মৰ্চাৰ সংক্ষিপ্ত ৰূপ হয়গৈ 'অ.স.ম'। নিৰ্বাচনী প্ৰচাৰত মৰ্চাই 'অসম' নামেৰে প্ৰচাৰ কৰি শাসকীয় বিজেপি দলৰ বিৰুদ্ধে শক্তিশালী ৰূপত অৱতীৰ্ণ হ'বলৈ বিশেষ ৰণনীতি যুগুত কৰিছে বুলিও জানিব পৰা গৈছে। সূত্ৰটোৰে জনোৱা মতে, কাইলৈ দিনৰ ভাগত লুৰীণজ্যোতি গগৈয়ে এক সংবাদমেলযোগে বিৰোধী ঐক্য মঞ্চ, অসমৰ নাম সলনি কৰাৰ কথা ৰাজহুৱা কৰিব। নতুন নাম ৰাজহুৱা কৰাৰ পিছত বিৰোধী মৰ্চাক অসমৰ ৰাইজে কিধৰণে গ্ৰহণ কৰে আৰু ২০২৬ৰ নিৰ্বাচনৰ সময়লৈকে লোকসভা নিৰ্বাচনৰ ভুলৰ পুনৰাবৃত্তি নকৰি সেই মৰ্চাই ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱাৰ ওপৰতেই নিৰ্ভৰ কৰিব ৰাজ্যখনৰ ভৱিষ্যতৰ ৰাজনীতি। উল্লেখ্য যে, সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছ নেতৃত্বাধীন বিৰোধীয়ে পূৰ্বৰ সংক্ষিপ্ত নাম ইউপিএ সলনি কৰি 'ইণ্ডিয়া' ৰাখিছিল। চৰকাৰ গঠন কৰিবলৈ শেষ মুহূৰ্তত সফল নহলেও এই নতুন নামেৰে শাসকীয় বিজেপি দলক ঘোটেঘোটে পানী খুৱাবলৈ সমৰ্থ হৈছিল বিৰোধী। লগতে ৪০০ আসনত জয়ী হোৱাৰ সপোন দেখা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপিক একক সংখ্যাগৰিষ্ঠতা অৰ্জনতো বাধা দিছিল ইণ্ডিয়াই।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# উপাধ্যক্ষই ৩য় মহলাৰ পৰা

ৰাজ্যখনত অনুসূচিত জাতিৰ প্ৰাৰ্থী নিযুক্তি বন্ধ কৰা আৰু বিধানসভা নিৰ্বাচনৰ পূৰ্বে ধনগড়ক অনুসূচিত জাতিৰ মৰ্যাদা প্ৰদান কৰাৰ বিৰুদ্ধে প্ৰতিবাদৰ লহৰে কঁপাইছে চৰকাৰ। ইয়াৰ মাজতে শুকুৰবাৰে শাসকীয় মিত্ৰজোঁটৰ এনচিপিৰ বিধায়ক তথা অন্যতম জ্যেষ্ঠ জনজাতীয় নেতা তথা বিধানসভাৰ উপাধ্যক্ষ নৰহৰি জিৰৱালকে ধৰি কেইবাগৰাকীও জনজাতীয় বিধায়কে মন্ত্ৰালয়ৰ তৃতীয় মহলাৰ খিৰিকিৰে জঁপিয়াই চৰকাৰী নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জাহিৰ কৰে। অৱশ্যে মন্ত্ৰালয় ভৱনত লগোৱা নেটৰ বাবে কোনো আঘাতপ্ৰাপ্ত হোৱাৰ পৰা ৰক্ষা পৰে বিধায়কসকল। জানিব পৰা মতে, মহাৰাষ্ট্ৰ বিধানসভাৰ উপাধ্যক্ষ নৰহৰি জিৰৱালসহ তিনিগৰাকী জনজাতীয় বিধায়কে শুকুৰবাৰে প্ৰতিবাদস্বৰূপে জাপ দিয়ে মন্ত্ৰালয়ৰ তৃতীয় মহলাৰ পৰা। লক্ষণীয় যে, সচিবালয়ত আত্মহত্যা বা কোনো দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে ২০১৮ চনত স্থাপন কৰা হৈছিল সুৰক্ষা জাল। বিধায়কসকলে  সেই জালৰ ওপৰতে জাঁপ দিয়ে। ইতিমধ্যে সামাজিক মাধ্যমত চৰ্চিত হৈ পৰিছে শাসকীয় মিত্ৰজোঁটৰ বিধায়কসকলৰ এই প্ৰতিবাদী কাণ্ড। ভিডিঅ'ত প্ৰত্যক্ষ হোৱা অনুসৰি, জালৰ ওপৰত জাঁপ দিয়াৰ পিছত তাৰ পৰা নামি পুনৰ অট্টালিকাৰ ভিতৰত প্ৰৱেশ কৰে আটাইকেইজন বিধায়কে। ইফালে এই প্ৰতিবাদী কাণ্ডৰ পিছতে আৰক্ষীয়ে জিম্মাত লৈছে বিধানসভাৰ উপাধধ্য নৰহৰি জিৰৱালৰ লগতে বিজেপিৰ সাংসদ হেমন্ত সৌৰ, বিধায়ক কিৰণ লাহামতে, হীৰমন খোস্কাৰ আৰু ৰাকেশ পাটিলক। অন্যহাতে আৰক্ষীয়ে বিধায়ক কেইজনক সুৰক্ষা জালৰ পৰা উলিয়াই অনাৰ দিয়াৰ পিছতে পুনৰ মন্ত্ৰালয় চৌহদত ধৰ্ণা প্ৰদৰ্শন কৰে তেওঁলোকে। মন কৰিবলগীয়া যে, পঞ্চায়ত (অনুসূচিত এলেকালৈ সম্প্ৰসাৰণ) (পি এছ এ) আইন, ১৯৯৬ৰ অধীনত চৰকাৰী চাকৰিত আদিবাসীক নিযুক্তি দিয়াৰ বাবে জনজাতীয় বিধায়কসকলে আন্দোলন চলাই আহিছে। বাতৰি অনুসৰি প্ৰতিবাদকাৰী বিধায়কসকলে কয় যে ২০২৩ চনৰ অক্টোবৰৰ পৰা ৰাজ্য চৰকাৰৰ পৰ্যায়ত পি এছ এৰ অধীনত ১৭টা ভিন্ন শ্ৰেণীৰ জনজাতীয় লোকৰ নিযুক্তি প্ৰক্ৰিয়া স্থবিৰ হৈ পৰিছে। লগতে এই সময়ছোৱাত শিক্ষক, বনৰক্ষী আৰু ৰাজহ আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন পদত নিযুক্তি দিয়া হৈছে বুলিও জানিবলৈ দিয়ে। প্ৰতিবেদন অনুসৰি এজন বিষয়াই কয়, 'জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলক পি এছ এৰ অধীনত নিযুক্তি দিয়া হৈছিল, কিন্তু পিছত তেওঁলোকক জনোৱা হৈছিল যে তেওঁলোকে স্থায়ী নিযুক্তি নাপাব। মুখ্যমন্ত্ৰী শিন্দেক সাক্ষাৎ কৰিবলৈ চেষ্টা কৰিছিল যদিও নোৱাৰিলে। গতিকে তেওঁলোকে কঠোৰ স্থিতি গ্ৰহণ কৰে। শুকুৰবাৰে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে যদিও তেওঁৰ উত্তৰত সন্তুষ্ট নোহোৱাত জালৰ ওপৰত জঁপিয়াই তেওঁলোকে প্ৰতিবাদ প্ৰদৰ্শন কৰে।" আৰক্ষীয়ে ইতিমধ্যে বিধায়কসকলক আটক কৰিছে বুলিও জানিবলৈ দিয়া বিষয়াগৰাকীয়ে। তেওঁ লগতে জানিবলৈ দিয়া মতে, সেই প্ৰতিবাদৰ সময়ত মন্ত্ৰালয়ত প্ৰায় ১৫-১৬ গৰাকী জনজাতীয় বিধায়ক উপস্থিত আছিল। লক্ষণীয় যে, ধনগড়ক অনুসূচিত জাতিত অন্তৰ্ভুক্ত কৰাৰো বিৰোধিতা কৰিছে বিধায়কসকলে। যোৱা মাহত মুখ্যমন্ত্ৰী শিন্দেলৈ লিখা এখন পত্ৰত জিৰৱালে কয় যে মহাৰাষ্ট্ৰ চৰকাৰে ধনগড়ক অনুসূচিত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে কোনো অসাংবিধানিক সিদ্ধান্ত গ্ৰহণ কৰিব নালাগে আৰু ধনগড় সংৰক্ষণ সম্পৰ্কীয় টিআইএছএছৰ প্ৰতিবেদন প্ৰকাশ কৰিব নালাগে। জনজাতীয় সংখ্যাগৰিষ্ঠ ডিন্দোৰী বিধানসভা সমষ্টিৰ বিধায়ক জিৰৱালে তেওঁৰ পত্ৰত উল্লেখ কৰিছে যে ধনগড় জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিবাদ কৰা জনজাতীয় বিধায়কসকলৰ প্ৰতি মহাৰাষ্ট্ৰ চৰকাৰে সঁহাৰি নিদিয়াৰ বিৰুদ্ধে তেওঁৰ এই বিবাদ। লগতে তেওঁ কয় যে ধনগড় জনগোষ্ঠীৰ বাবে চৰকাৰে অৰ্থনৈতিক পৰিকল্পনা ঘোষণা কৰাত কোনো সমস্যা নাই, কিন্তু অনুসূচিত জাতিৰ তালিকাত অন্তৰ্ভুক্ত হ'ব নোৱাৰে। তেওঁ কয়, 'চৰকাৰে আমাৰ কথা শুনা নাই, গতিকে আমি প্ৰবীণ ৰাজনীতিবিদ মধুকৰ পিচাৰৰ দৰে প্ৰাক্তন প্ৰতিনিধি সমন্বিতে নিৰ্বাচিত প্ৰতিনিধিসকলে চৰকাৰে নিজৰ সিদ্ধান্ত প্ৰত্যাহাৰ নকৰা পৰ্যন্ত মন্ত্ৰালয়ৰ সন্মুখত ধৰ্ণাত বহিম। চৰকাৰে ধনগড় সম্প্ৰদায়ক যিকোনো সুবিধা প্ৰদান কৰিব পাৰে, কিন্তু অনুসূচিত জাতি শ্ৰেণীত অন্তৰ্ভুক্ত কৰা নহ'ব।' উল্লেখ্য যে, অহা নৱেম্বৰ মাহৰ শেষৰ ফালে মহাৰাষ্ট্ৰত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচন। বৰ্তমান ত্ৰিদলীয় চৰকাৰ ক্ষমতাধিষ্ঠ হৈ থকা মহাৰাষ্ট্ৰত ইতিমধ্যে বিভিন্ন ৰাজনৈতিক পৰিঘটনাই বিপাঙত পেলাই আহিছে চৰকাৰখনক। ইয়াৰ মাজতে মিত্ৰজোঁটৰ বিধায়কেই চৰকাৰৰ বিৰুদ্ধে সাব্যস্ত কৰা এনে প্ৰতিবাদে মহাৰাষ্ট্ৰৰ ৰাজনৈতিক পৰিৱেশত অধিক পৰিৱৰ্তন আনি দিব বুলি ৰাজনৈতিক মহলত চৰ্চা চলা দেখা গৈছে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# দুজন মহন্তই অসমত চলাইছে


কয় যে প্ৰধানমন্ত্ৰীয়ে অসমৰ মাজেৰে চুপাৰিৰ সৰবৰাহ বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। চুপাৰিৰ সৈতে অস্ত্ৰ আৰু ড্ৰাগছ সৰবৰাহ হয় বুলি কোৱা হৈছিল। গগৈয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীক এই সন্দৰ্ভত নিৰ্দেশ দিছিল। ইণ্ডোনেছিয়া, থাইলেণ্ড বা ম্যানমাৰৰ পৰা অহা চুপাৰি সোমাব দিব নালাগে বুলি কঠোৰ নিৰ্দেশ দিছিল প্ৰধানমন্ত্ৰীয়ে। কিন্তু সেই নিৰ্দেশ উলংঘা কৰি অসমৰ মাজেৰে বাৰ্মিজ চুপাৰিৰ সৰবৰাহ চলি আছে। তেওঁ কয়, "ম্যানমাৰৰ সৈতে দ্বিপাক্ষিক চুক্তি নথকাৰ বাবে শুল্ক ল'ব নোৱাৰি। তালাচী কৰা নহয়। তালাচী অবিহনে পৰীক্ষা নকৰাকৈ ভাৰতত প্ৰৱেশ কৰিব দিয়া হয় বাৰ্মিজ চুপাৰিৰ ট্ৰাক। সেই ট্ৰাকতে ড্ৰাগছ আৰু মাৰণাস্ত্ৰ লৈ আহে। কিন্তু প্ৰধানমন্ত্ৰীৰ নিৰ্দেশক নামনি চুপাৰি সৰবৰাহ কৰি থকা হৈছে।" অখিল গগৈয়ে দাবী কৰি কয় যে বাৰ্মিজ চুপাৰি অসমৰ মাজেৰে আজিও সৰবৰাহ হৈ আছিছে। কিন্তু এয়া অবৈধ সৰবৰাহ। চিণ্ডিকেটৰ দ্বাৰা সৰবৰাহ কৰা হয়। যদি বৈধভাৱে চুপাৰি সৰবৰাহ কৰিবলগীয়া হয় তেন্তে বাৰ্মাৰ লগতে ভাৰত চৰকাৰে ব্যৱসায়িক বুজাবুজি চুক্তি কৰিব লাগিব। কিন্তু তেনে কোনো চুক্তি কৰা হোৱা নাই। তাৰ পাছতো কেনেকৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা চিণ্ডিকেট চলাই থাকিব পৰা হৈছে বুলিও গগৈয়ে প্ৰশ্ন কৰে। হিমন্ত বিশ্ব শৰ্মা আৰু কেইবাগৰাকী মন্ত্ৰীৰ জ্ঞাতসাৰে হৰেন মহন্তই এই ব্যৱসায় চলাই থকাৰ অভিযোগ আনে গগৈয়ে। অখিল গগৈয়ে সৰ্বত্ৰে ছিণ্ডিকেট চলি থকাৰ অভিযোগ আনি কয় যে মুখ্যমন্ত্ৰীয়ে মুখতহে ছিণ্ডিকেট বন্ধ কৰাৰ কথা কয়। কিন্তু ৰাজ্যত এতিয়াও ২২টা ছিণ্ডিকেট চলি আছে। দেশৰ সাৰ্বভৌমৰ প্ৰতি ভাবুকি অহাৰ দোহাই দি প্ৰধানমন্ত্ৰীয়ে চুপাৰি চিণ্ডিকেট বন্ধ কৰাৰ নিৰ্দেশ দিছিল। কিন্তু হৰেন মহন্তই প্ৰতিখন ট্ৰাকৰ পৰা ১২ লাখ টকা লৈ অসমৰ মাজেৰে ট্ৰাক পাৰ কৰে। এই ধন এতিয়া মুখ্যমন্ত্ৰীয়ে খৰছ কৰিছে ঝাৰখণ্ডৰ নিৰ্বাচনত। মুখ্যমন্ত্ৰী, মন্ত্ৰীৰ পৃষ্ঠপোষকতাত আৰু পুলিচ বিভাগৰ মহন্ত উপাধিৰ এজন বিষয়া আৰু হৰেন মহন্তৰ নেতৃত্বত এই ছিণ্ডিকেট চলাই থকা হৈছে। এওঁলোক অসমৰ ডাঙৰ ছিণ্ডিকেট মাষ্টৰ। বৰাক উপত্যাকা, শিৱসাগৰৰ আমগুৰি, গোলাঘাটৰ মেৰাপানী, যোৰহাটৰ মৰিয়নীৰে অসমলৈ ব্যাপক হাৰত চুপাৰি আহি আছে। ছিণ্ডিকেটৰ বাতৰি অসমৰ সংবাদ মাধ্যমে প্ৰচাৰ কিয় নকৰে বুলিও সংবাদমেলত প্ৰশ্ন উত্থাপন কৰে শিৱসাগৰৰ বিধায়কগৰাকীয়ে। গগৈয়ে মুখ্যমন্ত্ৰীয়ে অসমৰ ছিণ্ডিকেটৰ টকা নি ঝাৰখাণ্ডৰ নিৰ্বাচনত ব্যৱহাৰ কৰা বুলিও সংবাদমেলত স্পষ্টকৈ কয় গগৈয়ে। মহন্ত উপাধিৰ এজন আৰক্ষী বিষয়াৰ বিৰুদ্ধেও গগৈয়ে গুৰুতৰ অভিযোগ আনে যদিও সংবাদমেলত আৰক্ষী বিষয়াজনৰ সম্পূৰ্ণ নাম কোৱাৰ পৰা বিৰত থাকে গগৈ। নাম নকলেও মহন্ত বুলি ক'লেই সকলোৱে চিনি পাব বুলিও আওপকীয়াকৈ কয় শিৱসাগৰৰ বিধায়কগৰাকীয়ে। আৰক্ষী বিষয়াগৰাকীৰ নাম স্পষ্টকৈ নক'লেও কিন্তু হৰেন মহন্তৰ নামটো সংবাদমেলখনত গগৈয়ে স্পষ্টকৈ কয়। এইজন হৰেনৰ নেতৃত্বতে ছিণ্ডিকেট চলি থকাৰ অভিযোগ আনে গগৈয়ে। উল্লেখ্য যে, অসমৰ চৌদিশে এতিয়া হৰেন মহন্তৰ নাম উচ্চাৰণ হয়। তাৰ মাজতে আজি পুনৰ অখিল গগৈয়ে ৰাইজৰ দলৰ কাৰ্যালয়ত সংবাদমেলত ছিণ্ডিকেটৰ সৈতে হৰেন মহন্ত, আৰক্ষী বিষয়া মহন্তৰ নেতৃত্বত ছিণ্ডিকেট চলি থকা বুলি কৈ বিস্ফোৰণ ঘটায়। এতিয়া অখিল গগৈৰে অভিযোগৰ প্ৰত্যুত্তৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলে কেনেদৰে উত্তৰ দিয়ে সেয়া হ'ব লক্ষণীয়। উল্লেখ্য যে আজি ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত এক যোগদান কাৰ্যসূচীও অনুষ্ঠিত হয়। এই যোগদান কাৰ্যসূচীত আম আদমীৰ পাৰ্টীৰ লগতে আন কেবাটাও দল তথা সংগঠনৰ কেবাগৰাকী নেতাই আনুষ্ঠানিকভাৱে ৰাইজৰ দলত যোগ দিয়ে।

# ভূপেন বৰা ২০২৬-ত মুখ্যমন্ত্ৰী হ'ব বুলি দাবী কংগ্ৰেছ নেতা গৰ্জন মুছাহাৰীৰ

## বিটিআৰৰ ৰাইজেও এতিয়া পৰিৱৰ্তন বিচাৰিছে বুলি মন্তব্য

**ই-সংবাদ, কাজলগাঁও, ৪ অক্টোবৰঃ** ২০২৬-ত অসমত কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ মুখ হ'ব ভূপেন বৰা। আজি চিৰাঙৰ খুংক্ৰাঝোৰাত কংগ্ৰেছ দলৰ যোগদান সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক ২০২৬ ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হ'ব বুলি দাবী কৰি এইদৰে কয় কংগ্ৰেছ নেতা গৰ্জন মুছাহাৰীয়ে। চিৰাং জিলাৰ খুংক্ৰাঝোৰাত কংগ্ৰেছৰ দলীয় যোগদান সভাত কংগ্ৰেছৰ নেতা তথা বিগত লোকসভা নিৰ্বাচনৰ কোকৰাঝাৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৰ্জন মুছাহাৰীয়ে ভাষনত অহা ২০২৬ ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ বিজয় নিশ্চিত বুলি দাবী কৰে। তেওঁ কয় ২০২৬ ত অসমৰ মুখ্যমন্ত্ৰী হ'ব ভূপেন বৰা। কেৱল সেয়াই নহয়, ভূপেন বৰা মুখ্যমন্ত্ৰী হোৱাৰ পিছত যাতে চিৰাঙৰ এই পিছপৰা অঞ্চলৰ কথা নাপাহৰে, দুখীয়া দৰিদ্ৰ লোকৰ হকে উন্নয়নৰ কাম কৰি যোৱাৰো আহ্বান জনালে মুছাহাৰীয়ে। তেওঁৰ এনে মন্তব্য সন্দৰ্ভত সাংবাদিকে সভাৰ শেষত কৰা প্ৰশ্নৰ উত্তৰত ভূপেন বৰাই কয় যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ বিজয় নিশ্চিত। মুখ্যমন্ত্ৰী কোন হ'ব সেয়া দুই-তিনিদিনৰ ভিতৰতে ৰাইজে গম পাবই। তেওঁ বিজেপিক কটাক্ষ কৰি কয় বিজেপি দলৰ দৰে অসমৰ মুখ্যমন্ত্ৰী কোন হ'ব সেয়া নিৰ্ধাৰণ কৰিবলৈ সাতদিন সময় নেলাগিব। অৱশ্যে বৰাই সাংবাদিকৰ সন্মুখতে গৰ্জন মুছাহাৰীক তেনে কথা ৰাজহুৱা ক'ব নালাগিছিল বুলিও কয়। উল্লেখ্য যে, চিৰাং জিলাৰ ৩১ নং চিদলী বিধানসভাৰ অন্তৰ্গত খুংক্ৰাঝোৰাত কংগ্ৰেছ দলৰ দলীয় যোগদান সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা। আজিৰ সভাৰ মাজেদি কংগ্ৰেছ দলে ৩১ নং চিদলী বিধান সভা সমষ্টিৰ উপ নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিলে বুলি ভূপেন বৰাই ঘোষনা কৰে। কংগ্ৰেছ দলে ইতিমধ্যেই চিদলী বিধানসভাৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্ব অৰ্পণ কৰিছে কংগ্ৰেছৰ বিধায়ক তথা সাংগঠনিক সম্পাদক জাকিৰ হুছেইন শিকদাৰক। তেওঁৰ নেতৃত্বত এখন কমিটি ইতিমধ্যেই গঠন কৰা হৈছে বুলিও সদৰী কৰে। আজিৰ দলীয় যোগদান সভাত ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ উপস্থিতিত বিভিন্ন দলৰ পৰা ৫৫ গৰাকী লোকে আনুষ্ঠানিক ভাবে কংগ্ৰেছ দলত যোগদান কৰে। যোগদান সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই অসম মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। তেও কয় যে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিগত নিৰ্বাচনৰ সময়ত বিটিআৰত আহি ৰাইজৰ আগত কৈছিল বিটিচিৰ উন্নয়নৰ নামত যিমান টকা আহিছিল সেই টকা হাগ্ৰামা মহিলাৰীয়ে খায়। তাৰ বিপৰীতে হাগ্ৰামা মহিলাৰীয়ে প্ৰত্যুত্তৰত কৈছিল বিটিচিৰ কাৰণে যিমান টকা আহিছিল তেওঁহেনো অকলে খোৱা নাছিল তাৰে আধা টকা দিছপুৰত বহি ডঃ হিমন্ত বিশ্ব শৰ্মায়ো খাইছিল। এতিয়া বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়োৱে কয়, তেওঁ হেনো হাগ্ৰামা মহিলাৰীৰ দৰে টকা খোৱা নাই। সামান্য টকাহে খাইছে বুলি কৈ প্ৰমোদ বড়োকো সমালোচনা কৰে। বিটিআৰৰ উন্নয়ৰ ধন শৰাধ কৰি একাংশ বিজেপি-ইউপিপিএলৰ নেতাই টকাৰ বিচনাত কিদৰে শুৱে সেয়া ৰাইজে দেখি আছে। তাৰ পিছতো অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বা বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়োৱে এইসকল দুৰ্নীতিগ্ৰস্থ নেতাৰ বিৰুদ্ধে কোনো ধৰনৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই বুলিও কয় বৰাই। আগন্তুক চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীক ভোটদান কৰিবলৈ উপস্থিত ৰাইজক আহ্বান জনায়। আজিৰ এই যোগদান সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ লগতে বিধায়ক জাকিৰ হুচেইন শিকদাৰ, প্ৰাক্তন বিধায়ক আব্দুল হাই নাগৰী, চিদলীৰ প্ৰাক্তন বিধায়ক আন্দ্ৰিয়াছ হাজোৱাৰীকে ধৰি কেবাগৰাকী কংগ্ৰেছ নেতা উপস্থিত থাকে।

# কটন বিশ্ববিদ্যালয়ৰ নিৰ্বাচনত ছাত্ৰ মুক্তিৰ সাফল্য



**ই-সংবাদ, ৪ অক্টোবৰঃ** ৰাজ্যৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ নিৰ্বাচনত জাতীয় তথা ৰাষ্ট্ৰীয় সংগঠনৰ নেতৃত্বৰ পৰিৱৰ্তে ছাত্ৰৱাসে সমৰ্থন কৰা প্ৰাৰ্থীয়ে জয়লাভ কৰিবলৈ সক্ষম হৈছে। সদৌ অসম ছাত্ৰ সন্থা, এনএছইউআই, এবিভিপিৰ প্ৰত্যক্ষ প্ৰভাৱক নস্যাৎ কৰিছে কটনৰ ছাত্ৰ সমাজে। মহেন্দ্ৰ ডেকা ফুকন ছাত্ৰাবাস, শ্বহীদ কনকলতা ছাত্ৰী নিবাস আৰু ডঃ কমলা ছাত্ৰী নিবাসৰ সমৰ্থিত ৭ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। সভাপতি পদত জুবেৰ হাবিব, সাধাৰণ সম্পাদক পদত নীৰৱ হাজৰিকা, সহ-সাধাৰণ সম্পাদক পদত মুনমী তালুকদাৰ, তৰ্ক সম্পাদক পদত গীতাৰ্থ বৰা, সাংস্কৃতিক সম্পাদক পদত নীলাঞ্জনা বৰা, সংগীত বিভাগৰ সম্পাদক পদত একতা হাজৰিকা, সমাজ সেৱা পদত নূপুৰ কাশ্যপে জয়লাভ কৰিছে। এই ৭গৰাকী প্ৰাৰ্থীক ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে সমৰ্থন কৰা বুলি জানিব পৰা গৈছে। ছাত্ৰ মুক্তিৰ সমৰ্থত সভাপতি-সম্পাদকসহ ৭গৰাকী প্ৰাৰ্থীয়ে জয় লাভ কৰা বুলি দাবী কৰা হৈছে। আনহাতে, ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস আৰু নলিনীবালা দেৱী ছাত্ৰী নিবাসে সমৰ্থন কৰা ৫ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। উপ-সভাপতি নীলাক্ষী কাকতি, ছাত্ৰ জিৰণি কোঠা পদত কনকজ্যোতি ৰায়, ছাত্ৰী জিৰণি কোঠা পদত দিম্পী ডেকা, ফুটবল সম্পাদক পদত ৰাজদীপ কলিতা, এথলেটিক্স সম্পাদক পদত ডেনিয়েল চাংমাই জয়লাভ কৰে। উল্লেখৰ প্ৰয়োজন যে ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস কেইবা দশক ধৰি সদৌ অসম ছাত্ৰ সন্থাৰ কব্জাত আছে। বিগত কেইবাবছৰ ধৰি মহেন্দ্ৰ ডেকা ফুকন ছাত্ৰাবাস ছাত্ৰ মুক্তি সমিতিৰ কব্জাত আছে। এইবাৰৰ নিৰ্বাচন মূলত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু আছুৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছিল। কিন্তু ছাত্ৰ মুক্তি সমিতিয়ে মুখ্য পদীসহ মুঠ ৭ খন আসন লাভ কৰিছে। আছুৱে মুখ্য পদবী লাভ কৰা নাই যদিও ৫টা পদ লাভ কৰিছে। উল্লেখ্য যে, আলোচনী সম্পাাদকসহ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয় ৩ গৰাকী প্ৰাৰ্থী।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাড়ুৰ তদন্ত কৰিব চিবিআইয়ে

কৰা প্ৰসিদ্ধ তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুত পশুৰ চৰ্বি মিহলোৱা অভিযোগৰ তদন্তৰ ভাৰ অৰ্পণ কৰা হৈছে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইক। শুকুৰবাৰে উচ্চতম ন্যায়ালয়ে এই গোচৰৰ শুনানি গ্ৰহণ কৰি চিবিআইৰ সঞ্চালকৰ নেতৃত্বত অভিযোগৰ তদন্তৰ নিৰ্দেশ দিয়ে। আনহাতে উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া এই 'স্বাধীন' বিশেষ তদন্তকাৰী দলটোত চিবিআইৰ লগতে অন্তৰ্ভুক্ত কৰা হৈছে অন্ধ্ৰপ্ৰদেশ আৰক্ষী আৰু ভাৰতীয় খাদ্য সুৰক্ষা আৰু গুণগত মান প্ৰাধিকৰণৰ বিষয়াকো। উল্লেখ্য যে, ইয়াৰ পূৰ্বে অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুত পশুৰ চৰ্বি মিহলি কৰাৰ অভিযোগৰ তদন্ত আৰম্ভ কৰিছিল। এতিয়া শুকুৰবাৰে ন্যায়াধীশ বি আৰ গভাই আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰে গঠিত উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে দিয়া নিৰ্দেশত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৰ এই পদক্ষেপক অপ্ৰাসংগিক কৰি তুলিছে। প্ৰসংগক্ৰমে, যোৱা সোমবাৰে এই গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে মুখ্যমন্ত্ৰী চন্দ্ৰবাবু আৰু অন্ধ্ৰ চৰকাৰক কাৰ্যতঃ ধমক দি "ৰাজনীতিক পৰা ঈশ্বৰক আঁতৰাই ৰাখিব"লৈ কয়। মন কৰিবলগীয়া যে, অন্ধ্ৰপ্ৰদেশৰ প্ৰসিদ্ধ তিৰুপতি ভেংকটেশ্বৰ মন্দিৰৰ প্ৰসাদৰ লাড়ুত গৰু আৰু গাহৰিৰ চৰ্বি মিহলোৱা হয় বুলি বিস্ফোৰক অভিযোগ তুলি প্ৰাক্তন মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল মুখ্যমন্ত্ৰী চন্দ্ৰবাবুৱে। গুজৰাটৰ এটা অল্পখ্যাত পৰীক্ষাগাৰৰ প্ৰতিবেদনৰ উদ্ধৃতি দি এই অভিযোগ আনিছিল মুখ্যমন্ত্ৰীগৰাকীয়ে। ইফালে ৰাই এছ আৰ কংগ্ৰেছ আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীক শ'লঠেকত পেলাবলৈ উত্থাপন কৰা এই অভিযোগে ৰাজনৈতিক বিতৰ্কৰ সূচনা কৰাৰ সময়তে এই গোচৰটো দাখস্থ হয় উচ্চতম ন্যায়ালয়ত। ইয়াৰ পিছতে বিগত সোমবাৰৰ ন্যায়ালয়ৰ শুনানিত বিচাৰপীঠৰ ভৎসৰ্নাৰ সন্মুখীন হয় চন্দ্ৰবাবু আৰু অন্ধ্ৰ চৰকাৰ। অন্যহাতে বৰ্তমানৰ এন ডি এ চৰকাৰৰ অভিযোগ অস্বীকাৰ কৰি চন্দ্ৰবাবুৰ মন্তব্যক 'ৰাজনৈতিকভাৱে প্ৰেৰিত' বুলি অভিহিত কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী জগন মোহন ৰেড্ডীয়ে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীলৈ এখন পত্ৰও লিখে তেওঁ। এই পত্ৰযোগে চন্দ্ৰবাবুৱে তিৰুপতি মন্দিৰৰ স্বাভিমান আৰু পবিত্ৰতা ধ্বংস কৰিবলৈ চেষ্টা কৰা বুলি প্ৰত্যাভিযোগ তোলে ৰেড্ডীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯ বছৰৰ অন্তত বিদেশ মন্ত্ৰী

মুখপাত্ৰ ৰণধীৰ জয়ছৱালে এক বিবৃতিযোগে জানিবলৈ দিয়া মতে, অক্টোবৰ মাহৰ মাজভাগত চাংহাই কৰ্প'ৰেশ্যন অৰ্গানেইজেশ্যনৰ কনক্লেভত অংশগ্ৰহণৰ বাবে পাকিস্তান ভ্ৰমণ কৰিব ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ২০১৫ চনৰ ডিচেম্বৰ মাহত আফগানিস্তান সম্পৰ্কীয় এক সন্মিলনত অংশগ্ৰহণৰ বাবে পাকিস্তান ভ্ৰমণ কৰিছিল তদানীন্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সুষমা স্বৰাজে। ইয়াৰ পিছত প্ৰায় ৯ বছৰ পিছত পুনৰ পাকিস্তান ভ্ৰমণ কৰিব ভাৰতৰ আন এগৰাকী বিদেশ মন্ত্ৰীয়ে। মন কৰিবলগীয়া যে, অহা ১৫ আৰু ১৬ অক্টোবৰত পাকিস্তানে আয়োজন কৰিছে এছ চি অ' কাউন্সিল অৱ হেডছ অৱ গভৰ্ণমেন্টৰ (চিএইচজি) বৈঠক। মুখপাত্ৰ ৰণধীৰ জয়ছৱালে জানিবলৈ দিয়া মতে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰতৰ প্ৰতিনিধি দলটোক নেতৃত্ব দি পাকিস্তান ভ্ৰমণ কৰি ১৫ আৰু ১৬ অক্টোবৰত ইছলামবাদত অনুষ্ঠিত হ'বলগীয়া এছচিঅ' সন্মিলনত অংশগ্ৰহণ কৰিব। আনহাতে মুখপাত্ৰগৰাকীয়ে লগতে স্পষ্ট কৰি দিয়ে যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কেৱল এছ চি অ' শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবেহে পাকিস্তানলৈ যাত্ৰা কৰিব। তেওঁ জানিবলৈ দিয়া মতে, আগষ্ট মাহত পাকিস্তানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এছ চি অ'ৰ শীৰ্ষ সন্মিলনলৈ আমন্ত্ৰণ জনাইছিল। ইফালে, ভাৰতৰ চুবুৰীয়া শত্ৰুৰাষ্ট্ৰ হিচাপে পৰিচিত পাকিস্তানলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ এই ভ্ৰমণে পাকিস্তানক লৈ দিল্লীৰ সিদ্ধান্তত বিশেষ তাৎপৰ্য বহন কৰা পৰিলক্ষিত হৈছে। মোদী কেবিনেটৰ জ্যেষ্ঠ মন্ত্ৰীগৰাকীক পাকিস্তানলৈ প্ৰেৰণৰ সিদ্ধান্তক আঞ্চলিক নিৰাপত্তা সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা এছ চি অ'ৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাৰ প্ৰদৰ্শন হিচাপে দেখা গৈছে। মন কৰিবলগীয়া যে, ২০১৯ চনৰ ফেব্ৰুৱাৰীত পুলৱামাত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ আৰু তাৰ প্ৰত্যুত্তৰত ভাৰতৰ এয়াৰ ষ্ট্ৰাইকে ভাৰত আৰু পাকিস্তানৰ সম্পৰ্কত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছিল। আনহাতে ২০১৯ চনৰ ৫ আগষ্টত ভাৰতে জম্মু-কাশ্মীৰৰ বিশেষ ক্ষমতা প্ৰত্যাহাৰ কৰাৰ লগতে ৰাজ্যখনক দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত বিভক্ত কৰাৰ কথা ঘোষণা কৰাৰ পিছতে সম্পৰ্কৰ আৰু অধিক অৱনতি ঘটে। ভাৰতে পাকিস্তানৰ সৈতে স্বাভাৱিক চুবুৰীয়া সম্পৰ্ক কামনা কৰা বুলি কোৱাৰ লগতে এনে সংযোগৰ বাবে সন্ত্ৰাস আৰু শত্ৰুতামুক্ত পৰিৱেশ গঢ়ি তোলাৰ দায়িত্ব সম্পূৰ্ণৰূপে ইছলামবাদৰ ওপৰত বুলি সময়ে সময়ে সজোৰে কৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫০ বছৰীয়া মহিলাক গাভৰু

প্ৰতি মানুহৰ দুঃশ্চিন্তাৰে সুযোগ লৈ উত্তৰ প্ৰদেশৰ কাণপুৰত দম্পতী এটাই সংঘটিত কৰিলে ৩৫ কোটি টকাৰ কেলেংকাৰী। বৃদ্ধাৱস্থাৰ পৰা পুনৰ যৌৱন ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতিৰে এইহাল প্ৰৱঞ্চক দম্পতীয়ে সংঘটিত কৰিছিল এই কেলেংকাৰী। শেহতীয়াকৈ পোহৰলৈ আহিছে এই চাঞ্চল্যকৰ ঘটনা। আৰক্ষীয়ে সদৰী কৰা মতে, এই দম্পতীহালে তেওঁলোকৰ হাতত এটা এনে মেচিন থকাৰ দাবী কৰিছিল যিয়ে ৬০ বছৰীয়া এজন ব্যক্তিক ২৫ বছৰীয়া যুৱকলৈ ৰূপান্তৰিত কৰিব পাৰে। পুনৰ যৌৱন ঘূৰাই পোৱাৰ লালসাত প্ৰৱঞ্চক দম্পতীহালৰ হাতত শ শ লোকে সপি দিছিল লাখ লাখ টকা। কানপুৰৰ উপ আৰক্ষী আয়ুক্ত (দক্ষিণ) অংকিতা শৰ্মাই প্ৰকাশ কৰা মতে, এই প্ৰৱঞ্চক দম্পতীহাল হৈছে ৰাজীৱ কুমাৰ ডুবে আৰু তেওঁৰ পত্নী ৰশ্মি ডুবে। তেওঁলোকে কানপুৰৰ সাকেট নগৰত 'ৰিভাইভেল ৱৰ্ল্ড' নামেৰে এটা থেৰাপি চেণ্টাৰ খুলি মেলি দিছিল প্ৰৱঞ্চনাৰ জাল। থেৰাপী চেণ্টাৰৰ ভিতৰত তেওঁলোকে স্থাপন কৰিছিল এটা মেচিন, যিটো তেওঁলোকে 'টাইম মেচিন' বুলি দাবী কৰিছিল। ইয়াৰ দ্বাৰা বৃদ্ধ লোকক 'হাইপাৰবেৰিক অক্সিজেন থেৰাপী' প্ৰদান কৰি মাত্ৰ কেইমাহমানৰ ভিতৰতে বয়স হ্ৰাস কৰাৰ দাবী কৰিছিল দম্পতীহালে। উপ আৰক্ষী আয়ুক্তগৰাকীয়ে লগতে জানিবলৈ দিয়া মতে, এই প্ৰৱঞ্চক দম্পতীহালে আকৰ্ষণীয় ৰেহাই প্ৰদান কৰি বহু লোকক যৌৱনাৱস্থা ঘূৰাই পাবলৈ প্ৰলোভিত কৰিছিল। এই দম্পতীহালে মানুহৰ মাজত পমফ্লেট বিতৰণ কৰাৰ লগতে ঠায়ে ঠায়ে আঁৰিছিল হৰ্ডিঙো। এই হৰ্ডিংসমূহত তেওঁলোকে দাবী কৰিছিল যে কানপুৰৰ প্ৰদূষিত বায়ুৰ বাবে মানুহৰ বয়স দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু বয়স হ্ৰাস কৰা 'টাইম মেচিনে' ৬৫ বছৰীয়া ব্যক্তি এজনক ২৫ বৰ্ষীয় যুৱক এজনৰ দৰে কৰি তুলিব পাৰে। কিন্তু দম্পতীহালৰ বিৰুদ্ধে ৭ লাখ টকাৰ প্ৰতাৰণাৰ অভিযোগেৰে এজন ভুক্তভোগীয়ে আৰক্ষীৰ কাষ চপাৰ পিছতে পোহৰলৈ আহে এই সমগ্ৰ প্ৰৱঞ্চনা কাণ্ড। এই অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ইতিমধ্যে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে যদিও এতিয়াও গ্ৰেপ্তাৰ কৰিব পৰা নাই দম্পতীহালক। ৰাজীৱ আৰু ৰশ্মি ডুবে নামৰ দম্পতীহালে বহিঃৰাজ্যলৈ পলায়ন কৰাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। আৰক্ষী উপ আয়ুক্ত অংকিতা শৰ্মাই জানিবলৈ দিয়া মতে, এই দম্পতীহালে প্ৰতাৰণাৰে শতাধিক লোকৰ পৰা ৩৫ কোটিৰো অধিক টকা আত্মসাৎ কৰিছে। ইফালে প্ৰৱঞ্চক দম্পতীহালে 'টাইম মেচিন' বুলি দাবী কৰা তেওঁলোকৰ থেৰাপী চেণ্টাৰৰ বিশেষ মেচিনটো বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও জানিবলৈ দিয়ে আৰক্ষী বিষয়াগৰাকীয়ে। মেচিনটো ইজৰাইলৰ পৰা কেবা কোটি টকা মূল্যত ক্ৰয় কৰি অনা বুলি গ্ৰাহকসকলৰ আগত দাবী কৰি আহিছিল প্ৰৱঞ্চক দম্পতীটোৱে। গ্ৰাহকসকলক বিভিন্ন চলাহী কথাৰে তেওঁলোকৰ আত্মীয়সকলকো এই মেচিনৰ সুযোগ গ্ৰহণ কৰাৰ কথা কবলৈ প্ৰৰোচিত কৰি আহিছিল বুলিও আৰক্ষীক কেবাগৰাকী ভুক্তভোগীয়ে জানিবলৈ দিছে। বহু গ্ৰাহকে সেইমতে কেবাগৰাকী লোকক মেচিনৰ কথা জনাইছিলয ইফালে, এই ঘটনা সংবাদমাধ্যমযোগে পোহৰলৈ অহাত সৰ্বত্ৰে সৃষ্টি হৈছে চাঞ্চল্যৰ।

# নামতি প্ৰেছ ক্লাবৰ ৩২তম প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, আমগুৰি ৪ অক্টোবৰ :** "অসমীয়া ভাষাৰ বাতৰি কাকত সমূহে অসমীয়া ভাষা ৰক্ষা কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে সমান্তৰালভাৱে বাতৰি কাকতৰ উদ্যোগ সমূহত অসমীয়া নিবনুৱাই সংস্থাপনো লাভ কৰিছে ইয়াৰোপৰি অতীতত প্ৰকাশ হোৱা বাতৰি কাকত সমূহ আজিৰ সময়ত গৱেষণা ইত্যাদি কামত ব্যৱহৃত হৈ আহিছে " ৩ অক্টোবৰত শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলৰ সামাজিক তথা বৌদ্ধিক চিন্তাৰ অন্যতম বাটকটীয়া স্বৰূপ অনুষ্ঠান "নামতি প্ৰেছ ক্লাৱ"ৰ ৩২তম প্ৰতিষ্ঠা দিৱসৰ আলোচনাচক্ৰৰ মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে বিশিষ্ট নিবন্ধকাৰ, লেখক, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্তই উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা "নামতি প্ৰেছ ক্লাৱ"ৰ সভাপতি ৰাতুল শৰ্মাই পতাকা উত্তোলন কৰাৰ পিছতেই গছপুলি ৰূপন কাৰ্যসূচী শুভাৰম্ভ কৰে নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ উপাধ্যক্ষ চৈয়দ আব্দুৰ ৰহমান আৰু অধ্যাপক ড০ পাপু কুমাৰ ঙাতে দিনৰ ১ বজাৰ পৰা "সুস্থ সমাজ গঠন আৰু সংবাদসেৱা" শীৰ্ষক বিষয়ৰ এখন আলোচনাচক্ৰ অনুষ্ঠিত হয় নামতি প্ৰেছ ক্লাৱৰ সভাপতি ৰাতুল শৰ্মাই সঞ্চালনা আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথে উদ্বোধন কৰা উক্ত আলোচনাচক্ৰখনত মুখ্য আলোচক হিচাপে উপস্থিত থাকে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয় অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্ত ড০ সৌমাৰজ্যোতি মহন্তই আলোচনা চক্ৰখনত অংশ লোৱাৰ পূৰ্বে শ্বহীদ তৰ্পণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে মুখ্য আলোচক গৰাকীয়ে বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰী সকলে ডিজিটেল মাধ্যমত অধিক সময় অলাগতিয়াল বিষয়ত মনোনিবেশ কৰাৰ ফলত সমাজত এটা নেতিবাচক প্ৰভাৱ পৰা বুলি মন্তব্য কৰে তদুপৰি ছাত্ৰ-ছাত্ৰী সকলক বৰ্তমান সময়ত বাতৰি কাকত পঢ়াত অধিক মনোনিৱেশ কৰিবলৈ আহ্বান জনোৱাৰ লগতে অভিভাৱক সকলক অধিক সচেতনতা অৱলম্বন কৰিবলৈ অনুৰোধ জনায় বহু বিশিষ্ট ব্যক্তিৰ লগতে কেইবাটাও জাতীয় সংগঠনৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া উপস্থিত থাকে।

## বহুসময় ধৰি একাধিক বিভাগৰ চৰকাৰী কাম-কাজ স্তব্ধ

# চাইবাৰ আক্ৰমণ! হেকাৰৰ কবলত উত্তৰাখণ্ড চৰকাৰৰ ৱেবছাইট

**ডেৰাডুন, ৪ অক্টোবৰঃ** সমগ্ৰ দেশত ভয়াবহভাৱে বৃদ্ধি পাইছে চাইবাৰ অপৰাধৰ ঘটনা। তাৰ মাজতে এইবাৰ চাইবাৰ আক্ৰমণৰ বলি হ'ল উত্তৰাখণ্ডৰ চৰকাৰী সেৱা। চৰকাৰী তথ্য অনুসৰি, বৃহস্পতিবাৰে আকস্মিক চাইবাৰ আক্ৰমণৰ ফলত ৰাজ্যখনৰ সমগ্ৰ তথ্য-প্ৰযুক্তি ব্যৱস্থা আৰু চৰকাৰী কাম-কাজ স্তব্ধ হৈ পৰে। প্ৰকাশ অনুসৰি, হেকাৰে লক্ষ্য কৰি লয় উত্তৰাখণ্ডৰ ৰাজ্যিক সচিবালয় আৰু মুখ্যমন্ত্ৰীৰ কাৰ্যালয়কো। উত্তৰাখণ্ডক আই টি সমৰ্থন আগবঢ়োৱা এটা সংস্থাই প্ৰকাশ কৰা মতে, ৰাজ্যখনৰ প্ৰায় এশটা চৰকাৰী ৱেবচাইট বৃহস্পতিবাৰে হেকাৰে হেক কৰে। ইয়াৰ ফলত সমগ্ৰ দিনটোত সচিবালয়কে ধৰি প্ৰায় সকলো চৰকাৰী কাৰ্যালয়ৰ কাম-কাজ স্তব্ধ হৈ পৰে। সমান্তৰালভাৱে মুখ্যমন্ত্ৰীৰ হেল্পলাইন, ভূমিৰ লেনদেনৰ পঞ্জীয়ন আদি গুৰুত্বপূৰ্ণ কাম-কাজো বন্ধ হৈ পৰে। প্ৰকাশিত বাতৰি অনুসৰি শুকুৰবাৰৰ পুৱালৈকে হেকাৰৰ কবলত থাকে ৰাজ্যখনৰ প্ৰায় সকলো চৰকাৰী সেৱা। ইফালে চাইবাৰ আক্ৰমণৰ তথ্য লাভ কৰাৰ পিছতেই উত্তৰাখণ্ডৰ আই টি সচিব নীতিশ ঝা আৰু আই টি ডি এৰ সঞ্চালক নীতিকা খাণ্ডেলৱালে আই টি ডি এৰ সৈতে যোগাযোগ কৰে। পৰৱৰ্তী সময়ত উত্তৰাখণ্ডৰ 'তথ্য প্ৰযুক্তি উন্নয়ন সংস্থা' (আইটিডিএ)ৰ বিশেষজ্ঞ দলে অশেষ প্ৰচেষ্টাৰে ৰাজ্যখনৰ হেক হোৱা চৰকাৰী ৱেবচাইটসমূহ হেকাৰৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু এটা দিনৰ ভিতৰতে এনেদৰে শতাধিক চৰকাৰী ৱেবচাইট চাইবাৰ আক্ৰমণৰ বলি হোৱা ঘটনাই চাইবাৰ অপৰাধীৰ ত্ৰাসক লৈ ৰাজ্যখনত উদ্বেগ বৃদ্ধি কৰিছে।



বাংলাদেশত অধিক হৈ পৰা হিন্দু নিৰ্যাতনৰ বিৰুদ্ধে ঢাকাৰ শ্বহীদ মিনাৰত এনেদৰে লাখ লাখ হিন্দুৰ সমাৰেশ

# নগাঁৱৰ এচ কে বি এলত গুৰুজনাৰ জন্মোৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ৪ অক্টোবৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি কাষৰীয়া এচ কে বি এলত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মোৎসৱটি সন্মিলিত এচ কে বি এল শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উদযাপন সমিতিৰ উদ্যোগত উদযাপনৰ দিহা কৰা হৈছে । এচ কে বি এল ৰংগমঞ্চত অহা ১২ অক্টোবৰৰ পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে এই জন্মোৎসটি অনুষ্ঠিত হ'ব । এই মৰ্মে, অমূল্য বৰুৱাক সভাপতি, ভৱেন মেধিক কাৰ্যকৰী সভাপতি, মন্টু মেধীক প্ৰধান সম্পাদক তথা দীপক চাংমাই আৰু ভোগৰাম বৰদলৈক যুটীয়া সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে । প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা সন্ধিয়া আসন প্ৰতিষ্ঠা, নাম-প্ৰসংগ আৰু গন্ধৰ্ব পৰিৱেশন কৰা হ'ব । দ্বিতীয় দিনা পুৱাৰ ভাগত উষা কীৰ্তন, ভাগৱত আনয়ন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণ, দুপৰীয়া নাম-কীৰ্তন আৰু বিয়লি সম্বৰ্ধনা অনুষ্ঠানৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলন, গন্ধৰ্ব বাদনৰ অন্তত নিশা এচ কে বি এল অঞ্চলৰ শিল্পীসকলৰ দ্বাৰা নাট্যকৰ্মী জ্যোতি প্ৰসাদ ভূঞাৰ পৰিচালনাৰে পৰিৱেশন কৰা হ'ব অসমীয়া ভাওনা 'চন্দ্ৰবাহু ৰজাৰ ধৰ্ম পৰীক্ষা' । তৃতীয় দিনা বিয়লি গুৰু দুজনাৰ কৃষ্টিৰ আধাৰত সাংস্কৃতিক অনুষ্ঠান, সন্ধিয়া সম্বৰ্ধনা অনুষ্ঠানৰ লগতে নিশালৈ চকলাঘাটৰ সাতভনী মহিলা সমাজৰ দ্বাৰা নাট্যকৰ্মী ৰঞ্জিত শইকীয়া আৰু মুনিন্দ্ৰ দাসৰ পৰিচালনাত পালা ভাওনা 'হৰিচন্দ্ৰ উপাখ্যান' প্ৰদৰ্শিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে

## ১১৭৪ গৰাকী লোকৰ ইউপিপিএলত যোগদান

# বনৰগাঁৱত ইউপিপিএলৰ বিশাল যোগদান কাৰ্যসূচী অনুষ্ঠিত

**ই-সংবাদ, কোকৰাঝাৰ, ৪ অক্টোবৰঃ** কোকৰাঝাৰ জিলাৰ বনৰগাঁৱত আজি ইউপিপিএল দলৰ বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। ইউপিপিএলৰ বনৰগাওঁ ব্লক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা বিশাল যোগদান কাৰ্যসূচীত বিভিন্ন দল সংগঠনৰ পৰা ১১৭৪ গৰাকী লোকে আনুষ্ঠানিকভাৱে ইউপিপিএল দলত যোগদান কৰে। যোগদান কৰা সকলক আৰণাইৰে দললৈ আদৰণি জনায় ইউপিপিএল দলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। যোগদান কাৰ্যসূচীৰ পিছত সাংবাদিকৰ আগত প্ৰমোদ বড়োৱে কয় যে বিপিএফ দলে ৰাইজক প্ৰতাৰনা কৰাৰ বাবে ৰাইজে ইউপিপিএল দলক আঁকোৱালি লৈছে। বনৰগাঁৰ সমষ্টিত বিপিএফে কৰা প্ৰতাৰণাৰ বাবেই সকলো জাতি-জনগোষ্ঠীৰ লোক আজি ক্ষুব্ধ হৈছে আৰু ইয়াৰ পৰিণতিতে দলে-বলে ইউপিপিএলত যোগদান কৰিছে। বিটিচিৰ বনৰগাওঁ সমষ্টিৰ ৰাইজৰ অভাৱ অভিযোগসমূহ অচিৰেই সমাধান কৰা হ'ব। ইতিমধ্যে সমষ্টিটোত বহু কাম হ'ল আৰু বাকী থকা কাম সমূহ অচিৰেই সমাধানৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছে বুলি সদৰি কৰিছে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। আগন্তুক এমাহ দুমাহৰ ভিতৰতে বিটিচিৰ ৪০ টা সমষ্টিতে ইউপিপিএলৰ সমৰ্থন ৬০ - ৭০ শতাংশ বাঢ়ি যোৱাটো নিশ্চিত বুলিও মন্তব্য কৰে প্ৰমোদ বড়োৱে। আনহাতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাত প্ৰমোদ বড়োৱে শুভেচ্ছা জনাইছে। অসমীয়া ভাষাৰ ওপৰত গৱেষণা কৰা, চৰ্চা কৰা আৰু লিখা মেলা কৰা সকলোকে আন্তৰিক অভিনন্দন জনাই আন ভাষাৰ বাবেও ই অনুপ্ৰেৰণাদায়ক হ'ব বুলি মন্তব্য কৰে। আনহাতে বড়ো ভাষাক লৈ যিখিনি কাম হৈ আছে বড়ো ভাষাও এদিন স্বীকৃতি লাভ কৰিব বুলি আশা কৰিছে প্ৰমোদ বড়োৱে। ইপিনে বড়োসকলৰ ২১ টা বিভিন্ন খাদ্য-সামগ্ৰীৰ বাবে ভৌগলিক স্বীকৃতি তথা জি টেগ বিচাৰি আবেদন কৰাৰ পিছত ১৩ টা পৰম্পৰাগত খাদ্য -সামগ্ৰীয়ে জি আই টেগ লাভ কৰিবলৈ সক্ষম হৈছে আৰু বাকী ৮ টাও শীঘ্ৰে জি আই টেগ লাভ কৰিব বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। উল্লেখ্য যে, আজি বনৰগাঁৱত অনুষ্ঠিত হোৱা ইউপিপিএলৰ যোগদান সভাত বিটিচিৰ কাৰ্যবাহী সদস্য ক্ৰমে ৰঞ্জিত বসুমতাৰী, উইলচন হাসদা, ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰী আদিকে ধৰি বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।



বনৰগাঁৱত ইউপিপিএলৰ বিশাল যোগদান কাৰ্যসূচীত দলটোৰ একাংশ সমৰ্থক

# কান্ধুলীমাৰিত ধৰ্মগুৰুতৰ মাজাৰ ভাঙি পেলোৱাৰ ভাবুকি

**ই-সংবাদ, বেবেজীয়া, ৪ অক্টোবৰঃ** নগাঁও জিলাৰ কান্ধুলীমাৰিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা । অঞ্চলটোৰ এজন লোকৰ বাসগৃহৰ চৌহদত থকা এটি ধৰ্মগুৰুৰ মাজাৰ ভাঙি পেলোৱাৰ ভাবুকি প্ৰদান কৰিছে দুষ্টচক্ৰই । আচলতে, ১ নং কান্ধুলীমাৰিৰ বাসিন্দা ৰুহুল আমিন নামৰ লোকজনৰ ঘৰৰ চৌহদত নিৰ্মাণৰ কাম চলি আছে এটা ধৰ্মগুৰুৰ মাজাৰ । য'ত হাজাৰ হাজাৰ শিষ্যবৃন্দৰ জড়িত হৈ আছে বিশ্বাস । কিন্তু এই ধৰ্মগুৰৰ মাজাৰটো 'গাওঁ প্ৰধান' নামৰ এটা ৱাটচ্‌আপ গ্ৰুপত মেছেজৰ জৰিয়তে ভাঙি পেলোৱাৰ ভাবুকি প্ৰদান কৰিছে ইলিয়াছ নামৰ এজন যুৱকে । জানিব পৰা মতে, যোৱা মঙলবাৰে ৱাটচ্‌আপ গ্ৰুপটোত মেছেজ কৰি যুৱকজনে নিৰ্মাণৰত মাজাৰটো ভাঙি মাটিৰ লগত মিহলাই দিয়া হব বুলি কোৱাৰ লগতে ৰুহুল আৰু কাশ্বেম নামৰ দুজন ব্যক্তিক সুযোগ পালে ধৰা হ'ব বুলিও ভাবুকি প্ৰদান কৰিছে । পিছত এই মেচেজ সামাজিক মাধ্যমৰ জৰিয়তে বিয়পি পৰি সকলোৰে মাজত প্ৰচাৰ হোৱাৰ পিছতেই এক আতংকময় পৰিৱেশৰ সৃষ্টি হয় ৰুহুল আমিন আৰু কাশ্বেম আলীৰ পৰিয়ালৰ লগতে মাজাৰটোৰ সকলো শিষ্যবিন্দৰ মাজত । সেয়ে এই সন্দৰ্ভত ইতিমধ্যে শংকিত হৈ পৰা ৰুহুল আমিনে ধিং আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে । লগতে সংবাদ মাধ্যমৰ জৰিয়তে মাজাৰটোৰ শিষ্যবৃন্দই শীঘ্ৰে জিলা প্ৰশাসন তথা চৰকাৰক দোষীক উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে ।

## আপৰ সংবাদমেল

# মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণত চৰকাৰৰ ভূমিকা ৰহস্যজনক

**ই-সংবাদ, গুৱাহাটী, ৪ অক্টোবৰ -** অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ইতিবাচক ভূমিকাৰ বাবে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেত্ৰী অনুৰূপা ডেকাৰজাই । আজি গণেশগুৰিস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত আপৰ নেত্ৰীগৰাকীয়ে মাথোঁ ভাষাটোৰ ধ্ৰুপদী স্বীকৃতি লাভতে সীমাবদ্ধ নাথাকি অসমীয়া লিপিৰ স্বীকৃতিৰ ক্ষেত্ৰতো বৰ্তমান চৰকাৰক পদক্ষেপ ল'বলৈ দাবী জনায়। সংবাদমেলত অনুৰূপা ডেকাৰজাই কয়, " আজি আমাৰ ভাষাটোৱে এক ঐতিহাসিক স্বীকৃতি লাভ কৰিলে। এতিয়াৰ পৰা দেশ-বিদেশত অসমীয়া ভাষাৰ চৰ্চা হ'ব। ভাষাবিদ, গৱেষক সকলে অসমীয়া ভাষাৰ ওপৰত গৱেষণা কৰিবলৈ আগবাঢ়ি আহিব। এয়া নিশ্চিত ভাবে আশাৰ বতৰা।" আনহাতে, মাথোঁ এই স্বীকৃতি লাভৰ বাবে সন্তুষ্টি লাভ কৰিলেই নহ'ব, ভাষাটোক চিৰযুগমীয়া কৰিবৰ বাবে অসমৰ ব্যক্তিগত খণ্ডৰ ইংৰাজী বিদ্যালয় তথা বিশ্ববিদ্যালয় সমূহতো শীঘ্ৰেই অসমীয়া ভাষাৰ পাঠদান বাধ্যতামূলক কৰিবলৈ আপৰ নেত্ৰীগৰাকীয়ে দাবী জনায়। ৰাজ্য চৰকাৰে ইতিমধ্যে বন্ধ ঘোষণা কৰা অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহৰ বিষয়তো সৰৱ হয় আপৰ জ্যেষ্ঠ মুখপাত্ৰ গৰাকীয়ে। তেওঁ কয়, " দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত অসমীয়া ভাষাই এই স্বীকৃতি লাভ কৰিছে। কিন্তু এই সময়তে আমাৰ চৰকাৰে ৰাজ্যখনত অসমীয়া ভাষা মাধ্যমৰ ১,৬৭০ খন বিদ্যালয় বন্ধ কৰিছে। কিছুদিন পূৰ্বেও চৰকাৰে বিভিন্ন অজুহাতত অসমীয়া মাধ্যমৰ ২,২০০ বিদ্যালয় একত্ৰীকৰণৰ নামত বন্ধ কৰিছে। তদুপৰি অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত প্ৰাথমিক স্তৰতো অংক আৰু বিজ্ঞানৰ পাঠ্যপুথি ইংৰাজী ভাষাত যোগান ধৰাৰ আত্মঘাতী সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমীয়া ভাষাৰ সুৰক্ষাৰ স্বাৰ্থত চৰকাৰে এনে সিদ্ধান্ত বৰ্জন কৰিব লাগিব। "সংবাদমেলত নীলমণি শইকীয়াই মাজুলী-যোৰহাট সংযোগী দলঙৰ কাম আৰম্ভ কৰিবলৈ দাবী কৰে।



বিশ্ব হিন্দু পৰিষদৰ একাংশ নেতা আৰু কৰ্মকৰ্তাৰ সৈতে বিতৰ্কিত লেখিকা শিখা শৰ্মা

## শিখা শৰ্মাক বিশ্ব হিন্দু পৰিষদৰ বিশেষ দায়িত্ব

**ই-সংবাদ, ৪ অক্টোবৰঃ** সমাজ সংগঠক, লেখিকা, সংগীত শিল্পী শিখা শৰ্মাক বিশ্ব হিন্দু পৰিষদৰ খানাপাৰা প্ৰখণ্ডৰ উপ-সভাপতি হিচাপে মনোনীত কৰা হৈছে। বিশ্ব হিন্দু পৰিষদৰ উত্তৰ পূব প্ৰান্তৰ মঠ-মন্দিৰ, অৰ্চক-পুৰোহিত প্ৰমুখ শুভৰম বড়, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ পাঞ্জাবাৰী শাখাৰ কাৰ্যবাহ বুদ্ধি প্ৰসাদ খনাল প্ৰমুখ্যে সংঘৰ জ্যেষ্ঠ কাৰ্যকৰ্তাসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত সমাজ সংগঠকগৰাকীৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰা হয়। খানাপাৰাৰ শংকৰদেৱ কৃষ্টি কেন্দ্ৰত প্ৰখণ্ডৰ সভাপতি প্ৰভাত চন্দ্ৰ ঠাকুৰীয়াৰ পৌৰোহিত্যত দেওবাৰে অনুষ্ঠিত বৈঠকত প্ৰখণ্ডৰ উপদেষ্টা হিচাপে মনোনীত কৰা হয়।

## কৃষকৰ সৈতে জলকীয়া খেতিৰ বুজাবুজি চুক্তি সম্পন্ন

# মাজুলীত কনটেক ফাৰ্মিঙৰ আৰ্হিত এশ বিঘা ভূমিত কৰা হ'ব জলকীয়া খেতি

**ই-সংবাদ, মাজুলী, ৪অক্টোবৰঃ** মাজুলী জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু মাজুলী বিধায়ক ভুবন গামৰ উপস্থিতিত অনুষ্ঠিত হয় জলকীয়া খেতিৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ অনুষ্ঠান। মাজুলী জিলাত জলকীয়া খেতিৰ সম্প্ৰসাৰণ আৰু ইয়াৰ বাণিজ্যিক লাভালাভৰ প্ৰতি লক্ষ্য ৰাখি জলকীয়াৰ চুক্তিবদ্ধ শস্য উৎপাদন বিষয়ত অনুষ্ঠিত হয় এখন সভাৰ। উক্ত সভাতেই জলকীয়া উৎপাদন তথা ৰঙা শুকান জলকীয়া যোগান সন্দৰ্ভত মাজুলীৰ নিৰ্বাচিত ভালেসংখ্যক কৃষক আৰু গুৱাহাটীস্থিত M/S Crafts & Looms Gallery নামৰ কোম্পানীৰ মাজত সম্পন্ন হয় এক বুজাবুজিৰ চুক্তি। মূলতঃ চুক্তি অনুসৰি কৃষকে উৎপাদিত জলকীয়াৰ পৰা ৰঙা শুকান জলকীয়া প্ৰস্তুত কৰি কোম্পানীটোক পুনৰ যোগান ধৰিব। যাৰ দ্বাৰা এই প্ৰক্ৰিয়াত জড়িত কৃষকসকলে উপযুক্ত লাভ পাবলৈ সক্ষম হ'ব। আজি স্বাক্ষৰিত এই চুক্তি অনুসৰি, শস্য উৎপাদন প্ৰক্ৰিয়াত যাতে কৃষক সকল কোনো অসুবিধাৰ সন্মুখীন হব লগীয়া নহয়, সেই উদ্দেশ্যেৰে কোম্পানীটোৱে মাজুলীৰ নিৰ্বাচিত কৃষকক এই খেতিৰ বীজ সিঁচা ৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে বীজ, জৈৱিক সাৰ, প্ৰশিক্ষণ, কাৰিকৰী সাহায্য আদি সকলো প্ৰদান কৰিব। লক্ষণীয় কথাটো হ'ল, এই খেতিত কৃষক সকলে কোনো ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰিব নোৱাৰিব। কেৱল কোম্পানীয়ে যোগান ধৰা জৈৱিক দ্ৰব্য হে প্ৰয়োগ কৰিব পাৰিব। প্ৰথম পৰ্যায়ত কেঁচা জলকীয়া কৃষক সকলে নিজ ইচ্ছা অনুসৰি স্থানীয় ভাৱে বিক্ৰী কৰিবও পাৰিব। কিন্তু পৰৱৰ্তী সময়ত উৎপাদিত জলকীয়া কৃষক সকলে শুকুৱাই পুনৰ কোম্পানী টোকে ই বিক্ৰী কৰিব লাগিব। যাৰ পৰা কৃষকসকলে উচিত মূল্য লাভ কৰিবলৈও সক্ষম হ'ব।কোম্পানীটোৱে জনোৱা অনুসৰি, এই প্ৰক্ৰিয়াত ৪৬ গৰাকী কৃষকৰ লগতে মুঠ ১০০ বিঘা কৃষিভূমিক সামৰি লোৱা হৈছে। মূলতঃ কৃষকসকলক বালিজুৰি (Balijuri) প্ৰজাতিৰ বীজ যোগান ধৰা হ'ব। ত প্ৰতিবিঘাত ৪-৪.৫ কুইন্টল শুকান জলকীয়া উৎপাদন কৰাৰ আশা কৰা হৈছে। আৰু সেই উৎপাদিত জলকীয়াৰ বাবদ কৃষকসকলক উপযুক্ত মূল্য কোম্পানীটোৱে পোনপটীয়াকৈ বেংক একাউন্ট যোগে প্ৰদান কৰিব। কৃষকসকলক কোম্পানীটোৱে একোখনকৈ Regen Global GAP (Good Agricultural Practice) Certificate প্ৰদান কৰিব। কৃষকসকলেও এই বীজ আগন্তুক কৃষি বতৰত কৰিবলৈ নিজৰ লগত সংৰক্ষণ কৰি ৰাখিব পাৰিব। যাৰ দ্বাৰা কৃষকসকল আগন্তুক সময়ত য লাভান্বিত হ'ব। উল্লেখ্য যে এই সমগ্ৰ প্ৰক্ৰিয়াত জিলা কৃষি বিভাগে চুক্তিবদ্ধ দুয়োটা পক্ষক সহায়কাৰী সংস্থা হিচাপে সহযোগিতা আগবঢ়াব। এই কাৰ্যৰ দ্বাৰা মাজুলীত চুক্তিবদ্ধ শস্য উৎপাদন এইয়াই প্ৰথম হিচাপে বিবেচিত হয়। সভাত মাজুলীৰ বিধায়ক ভুৱন গামে এই কাৰ্যসূচীৰ শলাগ লয়। তেওঁ কৃষকসকলক এই খেতিত অধিক মনোনিবেশ কৰি লাভ উপাৰ্জন কৰিবলৈ আহ্বান জনায়। তদুপৰি, বৰ্তমান বজাৰত থকা নহৰুৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি গৰাকী কৃষকক কমেও এবিঘাকৈ নহৰুৰ খেতি কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকেও এই পদক্ষেপক আদৰণি জনোৱাৰ লগতে চুক্তিবদ্ধ দুই পক্ষ ক্ৰমে- কৃষক আৰু কোম্পানীক উৎসাহ প্ৰদান কৰে। তেওঁ কৃষকসকলক এই প্ৰক্ৰিয়াৰ যোগেদি কেনেদৰে অধিক লাভান্বিত হ'ব পাৰে, সেই কথাত গুৰুত্ব দিবলৈ আহ্বান জনায়। বিগত বহু বছৰ ধৰি এই খেতিৰ জৰিয়তে সফলতাৰ মুখ দেখা বৰপেটাৰ কৃষক আইনুল হকেও সভাত নিজৰ অভিজ্ঞতা ব্যক্ত কৰে। উল্লেখ্য যে সভাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কৃষকসকলক বীজ, সাৰ আদি সামগ্ৰী বিতৰণ প্ৰক্ৰিয়াৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) সৰোজ সোণোৱাল, সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ ফুকন, কৃষি পৰামৰ্শদাতা ইমৰান হুছেইন, কোম্পানীৰ সঞ্চালক সুমিত বৰুৱা, ভাৰতীয় কিষাণ সংঘৰ অসমৰ সাংগঠনিক সম্পাদক কৃষ্ণ কান্ত বৰা, বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু কৃষক ৰাইজ উপস্থিত থাকে।

# ৩ অক্টোবৰত ‘ধ্ৰুপদী অসমীয়া ভাষা দিৱস’ হিচাবে পালনৰ প্ৰস্তাৱ


## মাজুলী জিলা কবি সন্মিলন, জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ দাবী

**ই-সংবাদ, মাজুলী, ৪ অক্টোবৰ :** অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভত সমগ্ৰ অসমৰ লগতে উৎফুল্লিত হৈ পৰিছে অসম কবি সন্মিলনৰ অন্তৰ্গত মাজুলী জিলা কবি সন্মিলন আৰু জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ মাজুলী জিলা সমিতি। অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে এক গৌৰৱময় মাইলৰ খুঁটি হিচাপে অভিহিত কৰি অসম কবি সন্মিলনৰ অন্তৰ্গত মাজুলী জিলা কবি সন্মিলনৰ সভাপতি ৰমেশ চন্দ্ৰ শইকীয়া, সম্পাদক পাপু বৰা আৰু যুটীয়া সম্পাদক শংকুসিদ্ধ নাথে প্ৰদান কৰা এক প্ৰেছ বিবৃতিৰ জৰিয়তে ভাৰত চৰকাৰ, অসম চৰকাৰ, অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, সাহিত্য অকাডেমি আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভৰ বাবে কৰা এই দীঘলীয়া পৰিক্ৰমাত অৱদান আগবঢ়োৱা সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰি আনন্দ প্ৰকাশ কৰিছে। অন্যহাতে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ মাজুলী জিলা সমিতিয়েও সভাপতি ৰমেশ চন্দ্ৰ শইকীয়া, সম্পাদক শংকুসিদ্ধ নাথ আৰু সাহিত্য সম্পাদক পাপু বৰাৰ দ্বাৰা প্ৰেৰিত এক প্ৰেছ বাৰ্তাৰ জৰিয়তে অসমীয়া ভাষাই এনে অভূতপূৰ্ব স্বীকৃতি লাভ কৰাত সন্তোষ প্ৰকাশ কৰি আগন্তুক বৰ্ষৰ পৰা ৩ অক্টোবৰৰ দিনটো 'ধ্ৰুপদী অসমীয়া ভাষা দিৱস' হিচাবে পালন কৰাৰ বাবে অসমবাসীৰ লগতে চৰকাৰলৈ অনুৰোধ জনাইছে

## ব্যৱস্থা গ্ৰহণৰ দাবী

# কলাইগাঁৱত সংঘটিত সাংবাদিক আক্ৰমণক লৈ প্ৰতিক্ৰিয়া

**ই-সংবাদ, মৰিগাঁও, ৪ অক্টোবৰ:** এন বি নিউজ নামৰ চেনেলটোৰ সাংবাদিকক কলাইগাঁৱত কৰ্তব্যৰত অৱস্থাতে গুণ্ডাবাহিনীয়ে আক্ৰমণ কৰা ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মৰিগাঁও জিলা সাংবাদিক সংস্থা আৰু সদৌ অসম সাংবাদিক সন্থা (আজু) ৰ মৰিগাঁও জিলা সমিতিয়ে।ম ৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মা আৰু সম্পাদক জিতুমনি নাথে ঘটনাটোক তীব্ৰ ভাষাৰে গৰিহণা দি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ স্বৰূপ সংবাদ মাধ্যমৰ ওপৰত হোৱা আক্ৰমণ সভ্য সমাজত কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি তদন্ত কৰি দোষীক কঠোৰ শাস্তিৰ দাবী তুলে।আনহাতে উক্ত আক্ৰমণৰ ঘটনাক সদৌ অসম সাংবাদিক সন্থা (আজু) ৰ মৰিগাঁও জিলা সমিতিয়েও কঠোৰ নিন্দা কৰিছে।মৰিগাঁও আজুৰ ভাৰপ্ৰাপ্ত সভাপতি মৃদু কলিতা আৰু সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম গৌতমে 'সংবাদ মাধ্যমৰ ওপৰত হোৱা আক্ৰমণক এক প্ৰকাৰ গণতন্ত্ৰৰ ওপৰত হোৱা আক্ৰমণ' আখ্যা দি ঘটনাটোৰ তদন্তৰ দাবী কৰে।



দুৰ্গা পূজাৰ প্ৰাকক্ষণত আঢ়ৈশ বিধৱা মহিলালৈ মৰ্কজুল মাআৰিফৰ ২৫ লাখ টকা সাহায্য বিতৰণ, হোজাইত

# কাকমাৰী চাৰিআলিত সাৰ্বজনীন দুৰ্গোৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ৪ অক্টোবৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ কাকমাৰী চাৰিআলিত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও অহা ৯ অক্টোবৰৰ পৰা সাৰ্বজনীন দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। সেই অনুসৰি চন্দ্ৰ শৰ্মাক সভাপতি, ৰাতুল শইকীয়াক কাৰ্যকৰী সভাপতি, ৰাজু বৰাক সম্পাদক আৰু পংকজ মেধিক সহঃ সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠনেৰে প্ৰস্তুতি চলাই থকা হৈছে। কাৰ্যসূচী অনুসৰি ৯ অক্টোবৰত ষষ্ঠিত দেৱীৰ আমন্ত্ৰণ, অধিবাস আৰু বোধন, ১০ অক্টোবৰত সপ্তমী পূজা, পুষ্পাঞ্জলি প্ৰদান, নিৰ্মালী আৰু ভোগ বিতৰণ, ১১ অক্টোবৰত দিনৰ ভাগত মহা অষ্টমী আৰু মহা নৱমী বিহীত পূজা, চণ্ডী পাঠ, কুমাৰী পূজা, হোম, পূৰ্ণাহুতি আদি আনুষংগিক ৰীতি-নীতি পালনৰ লগতে সন্ধিয়া আৰতী, সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেইদৰে, ১২ অক্টোবৰত পুৱাৰ ভাগত দশমী বিহিত পূজা, দেৱীৰ বিসৰ্জ্জনাৰ্থে অপৰাজিতা পূজা, বলয় ধাৰণ, শান্তি আৰু নিৰ্মালী প্ৰদানৰ দ্বাৰা দুৰ্গোৎসৱৰ সামৰণি পেলোৱা হ'ব। তদ্ৰুপ ১৬ অক্টোবৰত উক্ত স্থানতে শ্ৰী শ্ৰী লক্ষ্মী পূজাভাগো উদযাপন কৰা হ'ব বুলি উদ্যোক্তাসকলৰ হৈ ৰাতুল শইকীয়াই জানিবলৈ দিছে। ইফালে, বেবেজীয়া আঞ্চলিক সাৰ্বজনীন দুৰ্গোৎসৱ সমিতিৰ উদ্যোগত অহা ৮ অক্টোবৰৰ পৰা শাৰদীয় দুৰ্গোৎসৱটি বেবেজীয়া আঞ্চলিক সাৰ্বজনীন পূজা মন্দিৰত উদযাপনৰ দিহা কৰা হৈছে। এই মৰ্মে, দুৰ্গা প্ৰসাদ শৰ্মা(জোন)ক সভাপতি, দিপ্তী প্ৰসাদ শৰ্মাক সম্পাদক তথা ফনিন্দ্ৰ শৰ্মা আৰু ভাস্কৰ প্ৰতীম শৰ্মাক সহঃ সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে । কাৰ্যসূচী অনুযায়ী ৮ অক্টোবৰত দেৱীৰ বোধন, ৯ অক্টোবৰত দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস, ১০ অক্টোবৰত পুৰোহিত বৰণ, দেৱীৰ সপ্তমী বিহীত পূজা, চণ্ডীপাঠ, অৰ্দ্ধৰাত্ৰি পূজা, ১১ অক্টোবৰত মহা অষ্টমী আৰু নৱমী বিহীত পূজাৰ লগতে আন আনুষংগিক ৰীতি-নীতি আদি পালন কৰা হ'ব। ঠিক সেইদৰে ১২ অক্টোবৰত দশমী বিহীত পূজাৰ অন্তত দেৱী বিসৰ্জন দিয়া হ'ব। তদুপৰি উক্ত পূজা মন্দিৰতে অহা ১৬ অক্টোবৰত লক্ষ্মী পূজা আৰু ৩১ অক্টোবৰত শ্যামা পূজা উদযাপন কৰা হ'ব বুলি জানিবলৈ দিছে উদ্যোক্তা সমিতিয়ে।

শেষ পৃষ্ঠা

# মৰিগাঁৱৰ বিনা বেতনে ২৬ বছৰ শিক্ষকতা কৰি অকাল মৃত্যু মৰিগাঁৱৰ ৰঞ্জিত বৰুৱাৰ

**ই-সংবাদ, মৰিগাঁও, ৪ অক্টোবৰ :** মৰিগাঁও জিলাৰ বাঘজাপ গাঁও পঞ্চায়তৰ অন্তৰ্গত অপ্রাদেশীকৃত বিদ্যালয় যমুনাপাৰ মাধ্যমিক বিদ্যালয়ৰ গণিতৰ শিক্ষক ৰঞ্জিত বৰুৱাই বৃহস্পতিবাৰে সন্ধিয়া অকাল মৃত্যুক আকোৱালি লয়। বিগত কেইবাদিনো ধৰি শিক্ষক বৰুৱা শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটীত চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে হাতীয়ামুখ গাঁৱৰ নিবাসী বৰুৱাই ১৯৭৬ চনৰ ৫ ফেব্রুৱাৰীত নগাঁৱত জন্ম গ্রহণ কৰিছিল। স্নাতক ডিগ্রীধাৰী বৰুৱাই ১৯৯৩ চনত প্রতিষ্ঠা লাভ কৰা যমুনাপাৰ মাধ্যমিক বিদ্যালয়ত ১৯৯৮ চনৰ পৰা বিগত ২৬ বছৰে বিনা বেতনেৰে ছাত্র-ছাত্রী সকলক শিক্ষা প্রদান কৰি আহিছিল। শেহতীয়াকৈ মায়ং ব্লকস্থিত শ্ৰীনিবাস একাডেমি আৰু জাগীভকতগাঁও মণিকাঞ্চন যোগ এছচিয়েশ্যনৰ লগতো তেওঁ জড়িত হৈ পৰিছিল। বৰুৱাৰ মৃত্যুত বৃহত্তৰ জাগীভকতগাঁৱত গভীৰ শোকৰ ছাঁ পৰে। আজি পুৱা তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলিৰ বাবে যমুনাপাৰ মাধ্যমিক বিদ্যালয়লৈ নিয়া হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়ৰ প্রধান শিক্ষক ভূবন চৌধুৰী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নীলেশ্বৰ শইকীয়া, যমুনাপাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্রধান শিক্ষক কুলেন হাজৰিকা, ভেৰভেৰী প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক মনজিৎ শইকীয়া, শৰৎপুৰ প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক নীলমণি শইকীয়া, জাগীভকতগাঁও শাখা সাহিত্য সভাৰ সম্পাদক জয়ন্ত সাগৰ শইকীয়া, সাংবাদিক বিমল হাজৰিকা প্রমুখ্যে বিদ্যালয়ৰ ছাত্র-ছাত্রী, শিক্ষক-কৰ্মচাৰী, ভেৰভেৰী ৰূপজ্যোতি সংঘ আৰু পুথিভঁৰাল, ভেৰভেৰী গাওঁৰক্ষী বাহিনী, ভেৰভেৰী গাঁৱৰ ৰাইজৰ লগতে তেখেতৰ গুণমুগ্ধসকলে নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিক্ষকতাৰ সমান্তৰালভাৱে বিভিন্ন অনুষ্ঠান প্রতিষ্ঠানৰ সৈতেও জড়িত হৈ সমাজ জীৱনলৈ বিশিষ্ট অৰিহণা আগবঢ়োৱা বৰুৱাই মৃত্যুৰ সময়ত পত্নী, দুটি সন্তান,আত্মীয় স্বজন আৰু বহু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

# মৰিগাঁৱত 'এ' ডিভিজন ফুটবল লীগত স্পৰ্টিং ৰাইনুজ আৰু ডমাল ৰাণাৰ ড্ৰ



**ই-সংবাদ, মৰিগাঁও, ৪ অক্টোবৰ :** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক প্ৰথম খেলখন গড়মাৰী ৰাইনুজ ক্লাব আৰু মৰিগাঁও স্পৰ্টিং মাজত ২-২ গ'লত অমীমাংসিত হৈ ৰোৱাত উভয় দলেই এক পইন্টকৈ লাভ কৰে। বিপুল সংখ্যক ফুটবল প্ৰেমী দৰ্শকৰ উপস্থিতিত বিয়লিৰ ভাগত মৰিগাঁও ৰাণা ক্লাব আৰু ডমাল স্পৰ্টচ ক্লাবৰ মাজত অনুষ্ঠিত দ্বিতীয়খন আকৰ্ষণীয় খেল ১-১ গ'লত ড্ৰ হয়। আজিৰ খেল দুখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী ধনীৰাম বৰদলৈ, জিতুল পাতৰ, তোলেশ্বৰ বাংঠাই আৰু ধৰণী ৰাজবংশীয়ে।

# জনগোষ্ঠীয় ঐক্য মঞ্চৰ স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ

**ই-সংবাদ, ডিব্ৰুগড়, ৪ অক্টোবৰঃ** সন্ত্ৰাসৰ অন্য এক নাম হৈছে স্মাৰ্ট মিটাৰ। বাণিজ্যিক ক্ষেত্ৰত ব্যৱহাৰৰ বাবে যোগান ধৰা স্মাৰ্ট মিটাৰ অসম চৰকাৰে মানুহৰ ঘৰত লগাই লুটিব ধৰাৰ অভিযোগ উঠিছে। পূৰ্বে পোষ্টপেড মিটাৰত ৫০০ টকা বিল গ্ৰাহকে স্মাৰ্ট মিটাৰ লগোৱাৰ পাছতে ২০০০ টকা পৰ্যন্ত বিল ভৰিবলগীয়া হৈছে। যাৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। আজিও ৰাজ্যত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই আন্দোলন কৰে ডিব্ৰুগড়ত চৌকিডিঙিত। স্মাৰ্ট মিটাৰ নিষিদ্ধ কৰাৰ দাবীত ডিব্ৰুগড়ৰ ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই চহৰখনৰ চৌকিডিঙি জিৰণি চ'ৰাত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। শীঘ্ৰে স্মাৰ্ট মিটাৰ বাতিল কৰাৰ লগতে চহৰৰ মাজমজিয়াত থলুৱা বজাৰ নিৰ্মাণ কৰি থলুৱা নিৱনুৱাক সংস্থাপনৰ দিবলৈ দাবী জনায় ছয় জনগোষ্ঠীয় ঐক্য মঞ্চই। দাবীসমূহ মানি ন'ললে পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত চৰকাৰক এসেকা দিয়াৰো হুংকাৰ দিয়ে।



ব্যতিক্ৰমী ৰূপত ভূপেন বৰা

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)